অকঁনিহতঁৰ বাবে বাইবেলখন

আগবঢ়াইছে

# মানুহৰ দুখৰ আৰম্ভ



লিখিছে: Edward Hughes
ব্যাখ্যা কৰিছে: Byron Unger; Lazarus
Alastair Paterson
গ্ৰহণ কৰিছে: M. Maillot; Tammy S.
অনুবাদ কৰিছে:
ডঃ শান্তি ৰাণী সিং, এম. এচ. চি. পি. এইচ. ডি.
প্ৰকাশ কৰিছে: Bible for Children
www.M1914.org

BFC
PO Box 3
Winnipeg, MB R3C 2G1
Canada

©2020 Bible for Children, Inc.
অনুমতি: এই কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে, কিন্তু ইয়াক বিক্ৰী নকৰিব।

ঈশ্বৰে সকলো নিৰ্ম্মাণ কৰিলে! যেতিয়া ঈশ্বৰে প্ৰথম মানুহ আদমক নিৰ্ম্মাণ কৰিছিল, তেওঁ তেওঁৰ ভাৰ্য্যা হৱাৰ লগত এদন বাৰীত নিবাস কৰিছিল। ঈশ্বৰৰ বাধ্য হৈ তেওঁৰ সান্নিধ্যত তেওঁলোক অতি সুখী আছিল, কিন্তু এদিন ...





সৰ্পই নাৰীক কলে “বাৰীৰ
কোনো গছৰ ফল তোমালোকে
নাখাবা বুলি ঈশ্বৰে বাস্তৱিকে
কলে নে? “তাই উত্তৰ দিলে,
“এটা ফলৰ বাদে আমি বাৰীৰ সকলোবোৰ ফল
খাব পাৰো।” “আমি যদি সেই ফল খাওঁ বা স্পৰ্শ
কৰো, আমি মৰিম।” টেঙৰালীৰে সৰ্পই কলে
“দৰাচলতে তোমালোকে নমৰা।”
“তোমালোকে ঈশ্বৰৰ নিচিনা
হ’বা।” হৱাৰ সেই গছ জোপাৰ
ফলৰ প্ৰয়োজন হ’ল। তাই সৰ্পৰ কথা
শুনিলে আৰু সেই
ফল খালে।

ঈশ্বৰৰ অবাধ্য হোৱা পিছত তাই আদমকো সেই ফল খাবলৈ দিয়ে। আদমে কব লাগিছিল, “নাই নহয়! মই ঈশ্বৰৰ বাক্যৰ অবাধ্য নহঁও!”





যেতিয়া আদম আৰু হৱাই পাপ কৰিলে, তেতিয়া তেওঁলোক দুয়ো জানিলে যে তেওঁলোক উলংগ। ডিমৰু পাতেৰে কপিং সিয়াই তেওঁলোকে নিজকে ঢাকিলে, আৰু ঈশ্বৰৰ উপস্থিতিৰ পৰা সাৰিবলৈ বাৰীৰ জোপোহাৰ মাজত লুকালে গৈ।

দিনৰ জুৰ পৰা সময়ত ঈশ্বৰ বাৰীলৈ আহিল। আদম আৰু হৱাই কি কৰিলে তাক তেওঁ জানিছিল। আদমে হৱাক দোষ দিলে। হৱাই সৰ্পক দোষ দিলে ঈশ্বৰে কলে, “সৰ্পক অভিশাপ দিয়া হ’ল। সন্তান জন্মৰ সময়ত নাৰীৰ প্ৰসৱ বেদনা হ’ব।”
“আদম, তুমি পাপ কৰা কাৰণে, কাঁইট আৰু কাঁইটীয়া বনেৰে ভূমি অভিশপ্ত হ’ল। তোমাৰ দৈনিক আহাৰৰ কাৰণে তুমি কষ্ট কৰি ঘাম বোৱাবা।”





সেই সুন্দৰ বাৰীখনৰ পৰা ঈশ্বৰে আদম
আৰু হৱাক

বাহিৰ কৰি দিলে।
তেওঁলোকে পাপ কৰা কাৰণে,
জীৱন দিওঁতা ঈশ্বৰৰ পৰা তেওঁলোকক পৃথক কৰা
হৈছিল। তেঁওলোকক বাহিৰত ৰাখিবৰ কাৰণে
ঈশ্বৰে জলন্তময় তৰোৱাল নিৰ্ম্মাণ কৰিলে।
আদম আৰু হৱাৰ কাৰণে ঈশ্বৰে
ছালৰ বস্ত্ৰ কৰি দিলে।
ঈশ্বৰে ছালবোৰ
কৰ পৰা পাইছিল?

কালক্ৰম, আদম আৰু হৱাৰ এটি পৰিয়ালৰ জন্ম হৈছিল তেওঁলোকৰ প্ৰথম সন্তান, কয়িন, খেতিয়ক আছিল। তেওঁলোকৰ দ্বিতীয় সন্তান, হেবল, মেৰৰখীয়া আছিল। এদিনাখন কয়িনে ঈশ্বৰলৈ উপহাৰ স্বৰূপে কিছুমান শাক-পাচলি আনিছিল। হেবলেও ঈশ্বৰলৈ উপহাৰ স্বৰূপে তেওঁৰ পহুৰজাকৰ পৰা অতি উত্তম পহুবোৰ আনিছিল।

হেবলৰ উপহাৰত ঈশ্বৰ সন্তুষ্ট হৈছিল।



কয়িনৰ উপহাৰবোৰত ঈশ্বৰ সন্তুষ্ট হোৱা নাছিল। কয়িন বৰ ক্ৰোধিত হৈছিল। কিন্তু ঈশ্বৰে কলে “তুমি ভাল কৰিলে জানো, তোমাক গ্ৰহণ কৰা নহব?



কয়িনৰ ক্ৰোধ আতঁৰি যোৱা নাছিল।
কিছুসময় পিছত পথাৰত তেওঁ হেবলক
আক্ৰমণ কৰি – তেওঁক বধ কৰিলে।



ঈশ্বৰে কয়িনক কলে, “তোমাৰ ভায়েৰা হেবল কত আছে? কয়িনে মিছা মাতিলে, “মই কিবা মোৰ ভাইৰ ৰখীয়া নে? ঈশ্বৰে কয়িনৰ খেতি কৰিব পাৰা গুণ কাঢ়ি লৈ তেওঁক পলৰীয়া আৰু থানথিত নোহোৱা কৰি শাস্তি দিছিল।



কয়িনে প্ৰভুৰ সন্মুখৰ পৰা আঁতৰি ওলাই গৈছিল। আদম আৰু হৱাৰ এগৰাকী কন্যা সন্তানৰ লগত তেওঁৰ বিবাহ হৈছিল। তেওঁলোকৰ এটি পৰিয়াল হৈছিল। অতি সোনকালে কয়িনে আবিস্কাৰ কৰা চহৰখন তেওঁৰ নাতি-নাতিনী আৰু আজু নাতি-নাতিনীৰে ভৰি পৰিল।



সময়ত, আদম আৰু হৱাৰ পৰিয়ালো বৃদ্ধি
পাবলৈ ধৰিলে। সেই সময়ত, আজিৰ তুলনাত
মানুহবিলাক বহু বহু বছৰলৈ জীয়াই আছিল।



যেতিয়া তাইৰ পুত্ৰ চেথৰ জন্ম হৈছিল, তেতিয়া হৱাই কলে, “ঈশ্বৰে হেবলৰ সলনি মোক আৰু এটি সন্তান দিলে।” চেথ এগৰাকী ঈশ্বৰ ভয়কাৰী লোক আছিল যিজনে ৯১২ বছৰ জীয়াই আছিল আৰু তেওঁৰ বহুতো সন্তান আছিল।



এটা যুগৰ পৰা আনটো যুগলৈ পৃথিৱীৰ লোকসকল ক্রমান্বয়ে দুষ্টতাৰে পৰিপূৰ্ণ হৈ গৈছিল। অৱশেষত পৃথিৱী বিনষ্ট কৰিবলৈ ঈশ্বৰে সিদ্ধান্ত লৈছিল সকলো পশু আৰু চৰাই। মানুহ নিৰ্ম্মাণ কৰা কাৰণে ঈশ্বৰে বেজাৰ পাইছিল। কিন্তু এজন মানুহে ঈশ্বৰক সন্তুষ্ট কৰিছিল ...



এই মানুহজন নোহ আছিল। চেথৰ বংশধৰ, নোহ ধাৰ্ম্মিক আৰু সিদ্ধ লোক আছিল। তেওঁ ঈশ্বৰৰ লগত চলাচল কৰিছিল। নিজৰ তিনিজন পুত্ৰকো ঈশ্বৰৰ বাধ্য হবলৈ তেওঁ শিক্ষা দিছিল। ঈশ্বৰে নোহক বৰ আচৰিত আৰু বিশেষ ধৰণে ব্যৱহাৰ কৰিবলৈ পৰিকল্পনা লৈছিল!



মানুহৰ দুখৰ আৰম্ভ

ঈশ্বৰৰ বাক্য, বাইবেলত

এই কাহিনী পোৱা যায়

আদিপুস্তক ৩ – ৬ অধ্যায়

“তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।”
গীতমালা ১১৯:১৩০ পদ

# সমাপ্ত

বাইবেলৰ এই কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়,
যিজনাই আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাই আমি তেওঁৰ বিষয়ে জনাতো বাঞ্ছা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্তু ঈশ্বৰে তোমাক ইমান প্ৰেম কৰে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাই দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাই ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ'ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ'ল। তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াই আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁৰ লগত নিবাস কৰিবা।

তুমি যদি এই সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা:
প্ৰিয় যীচু, মই বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মই নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা!
যোহন ৩:১৬ পদ।